**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 23-06-2025
**Time :** 0755 Hrs

***Assamese Morning Bulletin***

-------------

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ অধ্যক্ষতাত অনুষ্ঠিত মন্ত্ৰীসভাৰ বৈঠকত কালি অসমত ৪৪ হাজাৰ ১০৬ খন বিদ্যালয়ত প্ৰধানমন্ত্ৰী পোষণ আঁচনিৰ অধীনত সেৱা আগবঢ়াই থকা ১ লাখ ৮ হাজাৰ ৬৪৩ গৰাকী মধ্যাহ্ন ভোজনৰ কৰ্মচাৰীৰ মাহিলী মাননি ৫০০ টকাকৈ বৃদ্ধি কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা হৈছে। অক্টোবৰৰ পৰা মধ্যাহ্ন ভোজনৰ ৰান্ধনী আৰু কৰ্মচাৰীয়ে এই মাননি পাব বুলি মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে।

০০০০০০

তেল আৰু প্ৰাকৃতিক গেছ নিগম অ' এন জি চিয়ে আন্তঃৰাষ্ট্ৰীয় কুপ নিয়ন্ত্ৰণ বিশেষজ্ঞৰ সহযোগত চলি থকা অভিযানত উল্লেখনীয় অগ্ৰগতি লাভ কৰিছে। শিৱসাগৰৰ ভটিয়াপাৰত থকা অ' এন জি চিৰ ৰীগৰ পৰা যোৱা ১২ দিনে হৈ থকা গেছ নিৰ্গমন নিয়ন্ত্ৰণৰ বাবে সকলো নিয়ম মানি চেষ্টা চলাই থকা হৈছে বুলি প্ৰতিষ্ঠানটোৰ প্ৰৱন্ধকে জানিবলৈ দিছে। অ' এন জি চিৰ সংকট ব্যৱস্থাপনাৰ দল আৰু বিশেষজ্ঞৰ দলটোৱে প্ৰায় ১০ ট্ৰেইলাৰ ভৰ্তি ৰীগৰ সামগ্ৰী ইতিমধ্যে সফলতাৰে স্থানান্তৰিত কৰিছে। ঘটনাস্থলীৰ পৰা ৰীগৰ অধিকাংশ সামগ্ৰী আঁতৰাই কুপটো কেপিং কৰাৰ বাবে চলাবলগীয়া অভিযানৰ বাবে ইতিমধ্যে সাজু কৰা হৈছে। ইয়াৰ বাবে প্ৰয়োজনীয় গধুৰ সঁজুলিসমূহ বৰ্তমান সেই স্থানলৈ নি থকা হৈছে। এই স্থানৰ লগতে ইয়াৰ আশে-পাশে থকা অঞ্চলৰ বায়ুৰ গুণাগুণ অবিৰতভাৱে নিৰীক্ষণ কৰি থকা হৈছে আৰু কুপটোৰ পৰা ৩০ মিটাৰৰ বাহিৰত হাইড্ৰোকাৰ্বনৰ উপস্থিতি ধৰা নপৰাটো উৎসাহজনক হিচাপে বিবেচিত হৈছে। এই মূল্যায়নৰ আধাৰত ঘটনাস্থলীৰ পৰা ৫০০ মিটাৰ ব্যাসাৰ্ধৰ বাহিৰত বাস কৰা লোকসকলক ঘৰলৈ উভতি আহি ৰন্ধা-বঢ়া আৰু বিদ্যুতৰ ব্যৱহাৰকে ধৰি স্বাভাৱিক কাম-কাজ পুনৰ আৰম্ভ কৰাটো নিৰাপদ বুলি পৰামৰ্শ দিয়া হৈছে।

০০০০০০

দিছপুৰৰ লোকসেৱা ভৱনত কালি অনুষ্ঠিত মন্ত্ৰীসভাৰ বৈঠকত শ্ৰদ্ধাঞ্জলি শীৰ্ষক এখন বিশেষ আঁচনি গ্ৰহণ কৰা হয়। এই শ্ৰদ্ধাঞ্জলি আঁচনিৰ জৰিয়তে ৰাজ্য চৰকাৰে বহিঃৰাজ্যত অধ্যয়নৰত অথবা কৰ্মৰত লোকৰ মৃত্যু হ'লে তেওঁলোকৰ মৃতদেহ স্বগৃহলৈ অনাৰ বিশেষ ব্যৱস্থা গ্ৰহণ কৰিব। অসম আৰক্ষীৰ বিশেষ শাখাই এই আঁচনিখনৰ তদাৰকৰ দায়িত্বত থাকিব বুলি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই উল্লেখ কৰে। ভুক্তভোগী পৰিয়ালে এই আঁচনিৰ বাবে ১১২ নম্বৰত ফোন কৰি আৰক্ষীৰ বিশেষ শাখাৰ সৈতে যোগাযোগ কৰিব পাৰিব বুলিও মুখ্যমন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। অৱশ্যে ব্যক্তিগতভাৱে চিকিৎসাৰ বাবে বহিঃৰাজ্যলৈ গৈ মৃত্যু হোৱা লোকে এই আঁচনিৰ সুবিধা লাভ নকৰে বুলিও মুখ্যমন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে।

০০০০০০

পশ্চিম কাৰ্বি আংলঙৰ জিলাখনৰ হামৰেণত থকা কাৰ্বি পৰিষদৰ শাখা সচিবালয় প্ৰাংগনত আজি ৭৪ সংখ্যক কাৰ্বি পৰিষদৰ প্ৰতিষ্ঠা দিৱস পালনৰ আয়োজন কৰা হৈছে। ডিফু চহৰৰ ছাৰছিং টেৰন লাংকুং হাবে টাউন হলত পুৱা ৮ বজাৰ পৰা প্ৰতিষ্ঠা দিৱসৰ কাৰ্যসূচী আৰম্ভ হ'ব। দিনৰ ১০ বজাত কাৰ্বি পৰিষদৰ অধ্যক্ষ ৰাজু তিছৰে মুকলি সভাৰ অনুষ্ঠান সঞ্চালনা কৰিব। কাৰ্বি পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য তুলিৰাম ৰংহাঙে এই কাৰ্যসূচীত অংশগ্ৰহণ কৰিব। কাৰ্বি জনগোষ্ঠীক আগুৱাই নিয়া আৰু কাৰ্বি পৰিষদৰ প্ৰতিষ্ঠাত অৱদান আগবঢ়োৱা প্ৰয়াত ব্যক্তিসকলৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জ্ঞাপনেৰে এই অনুষ্ঠানৰ শুভাৰম্ভ কৰা হ'ব। অনুষ্ঠানত বিধায়ক ৰূপচিং টেৰণ আৰু কাৰ্বি ৰজা লংচিং ৰংহাঙো উপস্থিত থাকিব।

০০০০০০

ডিব্ৰুগড়ৰ জিলা আয়ুক্ত বিক্ৰম কৈৰীৰ নিৰ্দেশ মৰ্মে খাদ্য, অসামৰিক যোগান আৰু গ্ৰাহক পৰিক্ৰমা বিভাগে জিলাখনৰ ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা আইনৰ অধীনৰ সকলো হিতাধিকাৰীৰ E-KYC পৰীক্ষণৰ বাবে বিশেষকৈ চাহ বাগিছা অঞ্চলৰ সুলভ মূল্যৰ দোকানসমূহত বিশেষ কাৰ্যসূচী গ্ৰহণ কৰিছে। ইয়াৰ অংশ হিচাপে কালি জিলাখনৰ কেইবাখনো চাহ বাগিছা অঞ্চলৰ সুলভ মূল্যৰ দোকানত E-KYC পৰীক্ষণৰ বিশেষ শিবিৰৰ আয়োজন কৰা হয়। খাদ্য আৰু অসামৰিক বিভাগে ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা আইনৰ অধীনৰ সকলো হিতাধিকাৰীৰ অহা ৩০ জুনৰ ভিতৰত E-KYC পৰীক্ষণ সম্পূৰ্ণ কৰিবলৈ আহ্বান জনাইছে।

০০০০০০

বিশ্বনাথ জিলাৰ গহপুৰ সমজিলাৰ অন্তৰ্গত চেঁচাত কালি সংঘটিত এটা পথ দুৰ্ঘটনাত তিনিজন লোকৰ থিতাতে মৃত্যু হয়। অসম-অৰুণাচল প্ৰদেশ সীমান্তৱৰ্তী চেঁচা নদীৰ সমীপত বনভোজ খাই ওভতাৰ পথত এখন ট্ৰেক্টৰ আৰু মটৰচাইকেলৰ মাজত সংঘটিত দুৰ্ঘটনাটোত মটৰচাইকেল আৰোহী দুজন ছাত্ৰসহ ট্ৰেক্টৰখনৰ চালকজনৰ মৃত্যু হয়। ছাত্ৰ দুজন গহপুৰৰ ককিলাগুৰিৰ পুলিন বৰা আৰু তীৰ্থ বৰদলৈ বুলি চিনাক্ত কৰা হৈছে। নিহত ট্ৰেক্টৰখনৰ চালকজনৰ পৰিচয় এতিয়ালৈকে উদ্ধাৰ কৰিব পৰা হোৱা নাই। দুৰ্ঘটনাটোত মটৰচাইকেলখন সম্পূৰ্ণৰূপে জ্বলি ভস্মীভূত হয়।

০০০০০০

৫৯ সংখ্যক এটিপিএ শ্বিল্ড ফুটবল প্ৰতিযোগিতাৰ দ্বিতীয়খন ছেমি ফাইনেলত কালি মণিপুৰ দলে অসম পুলিচ ফুটবল দলক ২-১ গ'লত পৰাস্ত কৰি প্ৰথমবাৰৰ বাবে চূড়ান্ত খেলত স্থান লাভ কৰিছে। যোৰহাট জিলা ক্ৰীড়া সন্থাৰ উদ্যোগত যোৰহাট ষ্টেডিয়ামত অনুষ্ঠিত কালিৰ খেলখনত পাওলেন নাঙক সাধন দত্ত সোঁৱৰণী শ্ৰেষ্ঠ খেলুৱৈ বঁটা প্ৰদান কৰা হয়। অহা ২৪ জুনত হ'বলগীয়া চূড়ান্ত খেলত যোৰহাট টাউন ক্লাব মণিপুৰ দলৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে ৬ বজাত আৰম্ভ হ'ব।

০০০০০০

সমাপ্ত